[24-HKUD1SN-24J (M2)]

BA 1st Semester (NEP) Exam. 2024 (S2)

ASSAMESE

(অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন)

[UG, AS, S1-01]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) অসমীয়া সাহিত্যৰ বৌদ্ধ যুগ বুলি কোনখিনি সময় অভিহিত কৰা হৈছে ? এই সময়ছোৱাৰ সাহিত্যিক নিদৰ্শন কি কি লিখক ।

(*b*) লোকসাহিত্যৰ সংজ্ঞা দি দুটামান বৈশিষ্ট্য লিখক ।

(*c*) মিশ্ৰ অসমীয়া সাহিত্যৰ বিষয়ে লিখক ।

(*d*) নাম সাহিত্য বুলিলে কি বুজায় ? লিখক ।

(*e*) 'নৱ বৈষ্ণৱ সাহিত্য' এই অভিধাই কি সূচাইছে ? লিখক ।

(*f*) শংকৰোত্তৰ যুগত ৰচিত বুৰঞ্জী কেইখনমানৰ নাম লিখক ।

2. তলৰ যিকোনো *ছয়টা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) ঃ $4 \times 6 = 24$

(*a*) অসমীয়া সাহিত্যৰ যুগবিভাজনৰ ক্ষেত্ৰত বিভিন্ন পণ্ডিতসকলে কেনেধৰণৰ অভিমত আগবঢ়াইছে লিখক ।

(*b*) লোকসাহিত্যক কি কি অভিধাৰে বুজোৱা হয় ? লোকগীতৰ শ্ৰেণীবিভাজন কৰি আলোচনা যুগুত কৰক ।

(*c*) চৰ্যাপদ কি ? ইয়াৰ বিষয়বস্তুৰ পৰিচয় আগবঢ়াওক ।

(*d*) প্ৰাক্ শংকৰী যুগৰ যিকোনো এজন কবি আৰু তেওঁৰ কাব্যকৃতিৰ আলোচনা কৰক ।

(*e*) শংকৰদেৱৰ অংকীয়া নাটৰ পৰিচয়মূলক টোকা প্ৰস্তুত কৰক ।

(*f*) অসমীয়া গদ্য সাহিত্যৰ শুভাৰম্ভণিত ভট্টদেৱৰ স্থান নিৰ্ণয় কৰি নিবন্ধ লিখক ।

(*g*) চৰিত সাহিত্য বুলিলে কি বুজায় ? অসমীয়া চৰিত সাহিত্যৰ বিষয়ে লিখক ।

3. তলৰ যিকোনো *ছয়টা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 6 = 36$

(*a*) অসমীয়া লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা প্ৰস্তুত কৰক ।

(*b*) পুৰণি লেখন সামগ্ৰীৰ সম্পৰ্কে পৰিচয়মূলক টোকা লিখি আধুনিক অসমীয়া লিপিৰ আলোচনা আগবঢ়াওক ।

(*c*) ডাকৰ বচন কি ? অসমীয়া সমাজ জীৱন আৰু ডাকৰ বচনৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰক ।

(*d*) শ্ৰীকৃষ্ণ কীৰ্ত্তন আৰু শূন্যপুৰাণৰ পৰিচয় দি অসমীয়া সাহিত্যৰ আদিতম নিদৰ্শন হিচাপে আলোচনা কৰি দেখুৱাওক ।

(*e*) 'প্ৰহ্লাদ চৰিত্ৰৰ' বিষয়বস্তুৰ আলোচনা আগবঢ়াওক ।

(*f*) পাঁচালী সাহিত্যৰ পৰিচয় দিয়ক । পাঁচালী কবিকেইজনৰ বিষয়ে টোকা লিখক ।

(*g*) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজায় ? অসমীয়া ব্যৱহাৰিক সাহিত্যৰ বিষয়ে আলোচনা কৰক ।